# ECHO OF HIS CALL

ASSAMESE

তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

*India's National Spiritual Newspaper*

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor: Sis. Bornali Thapa Raj

**Vol. XXII** YEAR OF OUR LORD JESUS CHRIST, MAY 2022 **No. 11**


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভূৰ প্ৰশংসা হওঁক !

হিতোপদেশ ২২ঃ১-১০

১। প্ৰচুৰ ধনতকৈয়ো সুখ্যাতি বাঞ্ছনীয় আৰু ৰূপ আৰু সোণতকৈয়ো প্ৰসন্নতা ভাল।

২। ধনৱান আৰু দৰিদ্ৰ উভয়ে লগ পোৱাপুই হয়, তেওঁলোক সকলোৰে সৃষ্টিকৰ্তা যিহোৱা।

৩। বিবেচক লোকে আপদ দেখি নিজকে লুকুৱাই; কিন্তু নিৰ্ব্বোধে আগলৈ গৈ দুখত পৰে।

৪। ধন, সন্মান আৰু জীৱন, নম্ৰভাৱ আৰু যিহোৱালৈ ৰখা ভয়ৰ ফল।

৫। কুটিল লোকৰ পথত কাইট আৰু ফান্দ থাকে, যিকোনোৱে নিজ প্ৰাণ সাৱধানে ৰাখে, তেওঁ সেইবোৰৰ পৰা দূৰত থাকে।

৬। ল'ৰাক তাক চলিবলগীয়া পথ অনুসাৰে শিক্ষা দিয়া, তাৰে সি বুঢ়া হ'লেও তাক নেৰিব।

৭। ধনীয়ে দৰিদ্ৰবিলাকৰ ওপৰত প্ৰভুত্ব কৰে আৰু ধাৰুৱা ধাৰ দিওতাৰ দাস হয়।

৮। যিজনে অধৰ্মৰূপ গুটি সিঁচে, তেওঁ আপদৰূপ শস্য দাব আৰু তেওঁৰ ক্ৰোধৰ দণ্ডদালি নষ্ট হ'ব।

৯। কৃপাদৃষ্টিৰ লোক আশীৰ্বাদযুক্ত হ'ব; কাৰণ তেওঁ দৰিদ্ৰক নিজৰ আহাৰৰ ভাগ দিয়ে।

১০। নিন্দক বা খেদি দিয়া তাতে বিবাদো ওলাই যাব, এনে কি বিৰোধ আৰু অপমানো গুচিব।



# আমি শেষ দিনবোৰত আছোনে ?

## ARE WE LIVE IN THE LAST DAYS?

ভাই এম, পৌলৰাজ

ৰাছিয়া আৰু ইয়াৰ নিকটৱৰ্তী দেশ ইউক্ৰেইন, দুয়োৰে মাজত চলি থকা যুদ্ধৰ দ্বাৰাই গোটেই পৃথিৱী এতিয়া বিচ্ছিন্ন হৈ গৈছে। এই যুদ্ধখন ২৪ ফেব্ৰুৱাৰী ২০২২ তাৰিখত আৰম্ভ হৈছিল আৰু বিদেশৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকলক খালী কৰাৰ বাবে ৭ ঘণ্টা বিৰতিৰ পাছত এতিয়াও যুদ্ধ চলি আছে। প্ৰথম দিনটোত ইউক্ৰেইনৰ ওপৰত ৰাছিয়াৰ বাবে সহজ যেন হৈছিল কিন্তু ৰাছিয়াই ইউক্ৰেইনৰ পৰা কঠোৰ প্ৰতিৰোধৰ সন্মুখীন হ'ল। এতিয়া ২১ মাৰ্চ ২০২২ তাৰিখলৈকে ২৬ দিন অতিক্ৰম হৈছে। যদিও বন্ধুত্বৰ দেশবোৰৰ পৰা পোৱা অস্ত্ৰ-শস্ত্ৰবিলাকৰ বাবে ইউক্ৰেইনে কঠোৰ প্ৰতিৰোধ কৰি আছে। ই ৰাছিয়াৰ বাবে সমস্ত ক্ষমতা নহয়। ৰাছিয়াৰ ক্ষোভতো হৈছে, ইউৰোপ অঞ্চলৰ সমিতি আৰু নাটোৰ লগত সংযুক্ত হ'বলৈ, ইউক্ৰেইনে পৰিকল্পনা কৰি আছে আৰু এইদৰে হ'লে নাটো বাহিনীৰ বাবে তেওঁলোকৰ (ৰাছিয়া) সীমাৰ ভিতৰত প্ৰৱেশ কৰিবলৈ সহজ হ'ব! ইউৰোপৰ বহু দেশে ৰাছিয়াৰ দেশৰ কাষত লাগি আছে। ৰাছিয়াৰ ভয় ভিত্তিহীন। সাৰ্বভৌম দেশ হোৱাৰ হেতুকে, নিজৰ পচন্দ বাচি ল'বলৈ ইউক্ৰেইনৰ অধিকাৰ আছে। যুদ্ধখন মাথোন ৰাছিয়াৰ আত্মসন্মানৰ বাবেহে হৈ আছে ! পৃথিৱীৰ দেশসমূহ বিশেষকৈ আমেৰিকা আৰু পশ্চিমীয়া দেশসমূহে ৰাছিয়াৰ আগ্ৰাসনক গৰিহণা দিছে আৰু বিভিন্ন নিযেধাজ্ঞা জাৰি কৰিছে। ইউৰোপৰ কিছুমান দেশসমূহ যেনে - বিট্ৰেইন আৰু জাৰ্মানে ইউক্ৰেইনলৈ অস্ত্ৰৰ যোগান ধৰিছে। ৰাষ্ট্ৰপতি জ' বাইডেনে তৃতীয় যুদ্ধ হোৱাৰ সম্ভাৱনা দেখি নাটোৰ দেশসমূহক প্ৰত্যক্ষ সংগ্ৰাম কৰাৰ পৰা বিৰতে ৰাখিছে। এতিয়া তেনেদৰে হ'ব পাৰে, কিন্তু জৰুৰী অৱস্থাৰ বাবে সেই অনুমান আৰু সিদ্ধান্তবোৰ ল'ব পাৰে। মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু ই. ইউ. দেশসমূহৰ প্ৰধানসকলে দুই এদিনৰ ভিতৰত পৰিস্থিতিৰ ওপৰত সযত্নে চিন্তা কৰিবলৈ ব্ৰুচেলচত জৰুৰী বৈঠক হ'ব। ৰাছিয়াই নিৰাপদ ক্ষমতাৰে ইউক্ৰেইনৰ চহৰবিলাকত আক্ৰমণ কৰি আছে। তেওঁবিলাকে চুপাৰচনিক যুদ্ধ জাহাজ ব্যৱহাৰ কৰিছে আৰু অত্যাধুনিক বোমাৰে ইউক্ৰেইনক ধ্বংস কৰি আছে। এনে বোধ হয় যেন ৰাছিয়াই তৎক্ষণাত যুদ্ধ বন্ধ কৰিবলৈ পৃথিৱীৰ বা আন্তৰ্জাতিক আদালতৰ কথা শুনাৰ মেজাজত নাই।

ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লডিমিৰ জেলেনস্কি, এজন কমেডিয়ান আছিল। ৰাজনীতিবিদত পৰিণত হ'ল আৰু যুদ্ধত হিৰ'ৰ দৰে কাৰ্য্যভিনয় কৰি আছে আৰু ইউক্ৰেইনৰ সকলো জনতাই তেওঁৰ লগত থিয় দিছে। অলপতে ইস্ৰায়েলৰ সংসদলৈ ভাযনত তেওঁ দাবী কৰি কয় যে তেওঁ যিহুদীৰ বংশ আৰু তেওঁবিলাকৰ পৰা সমৰ্থন বিচাৰিলে।

৩ পৃষ্ঠাত চাওঁক

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)




## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...

(ECHO GROUP)

"যিহোৱাৰ সোঁ হাত উন্নত, যিহোৱাৰ সোঁ হাতে মহৎ কাৰ্য্য কৰিলে"
(গীতমালা ১১৮ঃ১৬)



### আমাৰ মিশ্বন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।

**CHIEF EDITOR**
**Angeline Selvakumari Henry,** M.A., M.Ed.

**MANAGING EDITOR**
**Pastor Alex Samson Sam,** B.Th., M.Div.

**ADMINISTRATION**
**Bro. N. Prakasam,** M.A., General Manager

**EDITORIAL BOARD**
**Sis. Jesy Veena Sam**
**Bro. M. Paulraj,** M.A., B.Ed.
**Sis. Serena Bevin,** M.A., M.Phil., B.Ed.

**EDITOR, PUBLISHER & PRINTER**
**Pastor S. SAM SELVA RAJ**
**Echo of His Call Printers**
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 95661 31858

**E.mail ID**
sam@echoofhiscall.org
biblecor@yahoo.co.in

**WEBSITES**
www.echoofhiscall.org
www.stpaulsmatriculation.com

**YOUTUBE CHANNEL**
Echo of His Call

প্ৰভুত মোৰ প্ৰিয়সকল,

আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচুখ্ৰীষ্টৰ অতুলনীয় নামত আমি আপোনালোকক শুভেচ্ছা জনাইছো

আপোনালোকৰ প্ৰাৰ্থনা আৰু সহায়বোৰে আমাক উচ্চ স্তৰলৈ লৈ গৈ আছে। সেই গতিকে আমি আপোনালোকৰ বাবে প্ৰাৰ্থনা কৰিবলৈ বাধ্য হৈছো। ইয়াৰ লগতে আমি আপোনালোকক "ধন্যবাদ" ক'বলৈয়ো সুযোগ লৈছো।

মে' মাহত ভাৰতৰ শিশু আৰু যুৱক-যুৱতীবিলাকে স্কুল আৰু কলেজবোৰৰ দ্বাৰাই দিয়া বন্ধক উপভোগ কৰিব। এই বন্ধৰ কালছোৱাত, জাগতিক বস্তুবিলাকত সময় নষ্ট নকৰিব। আমি আপোনালোকক আৰু আপোনালোকৰ সন্তানবিলাকক আগবাঢ়ি আহি প্ৰভুৰ কাৰ্য্যৰ বাবে কিবা কৰিবলৈ উৎসাহ যোগাইছো। আপোনালোকৰ মণ্ডলীৰ বিশেষ উপাসনাবিলাকত আপোনালোকে অংশগ্ৰহণ কৰিব পাৰিব আৰু আপোনালোকৰ মণ্ডলীৰ ৰক্ষণাবেক্ষনৰ কাৰ্য্যত সহায় কৰিব পাৰিব। এইদৰে কৰিলে ঈশ্বৰে সন্তোষ পাই আপোনালোক এই কাৰ্য্যবোৰ কৰিলে আপোনাৰ পৰিয়ালবৰ্গক আশীৰ্বাদ দিব। ঈশ্বৰে আপোনাৰ আৰু আপোনাৰ পৰিয়ালৰ জীৱনত অনেক কাৰ্য্য কৰিছে। এইবিলাকক পাহৰি নাযাব।

আমি, ঈশ্বৰৰ দাসসকলেও আনন্দেৰে আৰু মহান অনুপ্ৰাণিতৰ সৈতে কাৰ্য্যকলাপবিলাকত লিপ্ত হৈ আছে। আমাৰ ইংৰাজী উচ্চ বিদ্যালয়, তামিল ভাষাৰ সন্ধ্যাৰ বাইবেল কলেজ, হিন্দী ভাষাত অনলাইন বাইবেল ক্লাচ, ইংৰাজী আৰু তামিল ভাষাত যোগাযোগ, শিক্ষাৰ পাঠ্যক্ৰম লগতে ১৬ টা ভাষাত তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ আলোচনীৰ কাৰ্য্যবিলাক কাৰ্য্যকৰী আৰু কৃতকাৰ্য্যতাৰে চলি আছে। বৃদ্ধি কৰা আমাৰ গীৰ্জাৰ উপাসনাবোৰ আৰু হিন্দী বাসগৃহৰ বাইবেল কলেজ পৰৱৰ্তী মাহৰ পৰা আৰম্ভ হ'ব। এই সকলো কাৰ্য্যকলাপ সঠিকৰূপে চলিবৰ বাবে আমাক আপোনালোকৰ প্ৰাৰ্থনাৰ প্ৰয়োজন আছে।

আপোনালোকৰ বহুতেই আমাৰ অভাৱবোৰৰ বিষয়ে উপলব্ধি কৰিছে আৰু আমি আপোনালোকক কোৱাৰ আগতেই আপোনালোকে আমালৈ বেংকৰ ট্ৰান্সফাৰৰ জি পে, মণিঅৰ্ডাৰ, চেক আৰু ডিমাণ্ড ড্ৰাফট্‌ৰ যোগেদি দান বৰঙণিসমূহ পঠাই আছে। আমি আপোনালোকক উৎসাহিত হৈছো আৰু আমাৰ সৰ্বশক্তিমান ঈশ্বৰ যীচুখ্ৰীষ্টৰ নামত আপোনালোকক আশীৰ্বাদ কৰিছো। দয়া আৰু অনুগ্ৰহ আপোনালোকৰ পাছে পাছে যাওক!

আমি আৰু আমাৰ পৰিয়ালৰ কিছুমান শৰীৰত দুৰ্বল অনুভৱ কৰিছো। বিশেষকৈ, আমাৰ ভাই পৌলৰাজ আৰু পালক মুথু দুয়ো ৰোগৰ পৰা আৰোগ্যতা পাবলৈ নিৰন্তৰে প্ৰাৰ্থনা কৰক।

আমি আপোনালোকক প্ৰেম কৰো আৰু নিৰন্তৰে আপোনালোকৰ বাবে প্ৰাৰ্থনা কৰো। আমি আপোনালোকক, আপোনালোকৰ পত্ৰ, ই মেইল, ফোনত কথাবাৰ্তাৰ বাবে আৰু আপোনালোকৰ সহায় আৰু সমৰ্থনৰ বাবে ধন্যবাদ জনাইছো। আপোনালোকৰ সকলো অনুৰোধবিলাক আৰু নিবেদনবিলাকক আমি ঈশ্বৰলৈ জনাওঁ।

ঈশ্বৰৰ অনুগ্ৰহ আপোনালোকৰ সৈতে থাওক! আমেন।

**খ্ৰীষ্ট যীচুত আপোনালোকৰ সেৱক,**

পালক, এচ, চাম ছেলভা ৰাজ আৰু এলেক্স চেমচন চাম।

(+91) 98412 71858 / 98410 71858, E.mail : samselvaraj333@gmail.com

**Our Ministries:** ECHO OF HIS CALL Monthly Magazines (16 languages) BIBLECOR - Postal Courses (3 languages) Online Courses Theological Correspondence Courses (2 languages) Church Planting Nehemiah Bible Colleges Gospel Printing Press Great Commission Partners St. Paul's Matriculation School Crusades Community Development

*(প্ৰথম পৃষ্ঠাৰ পৰা)*

এতিয়া ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নিমন্ত্ৰণ ২ এপ্ৰিল ২০২২ তাৰিখে ইস্ৰায়েলৰ প্ৰধানমন্ত্ৰী নাপ্তালী বেনেযে ভাৰতলৈ ভ্ৰমণ কৰিব পাৰে। গতিকে ইস্ৰায়েলে যুদ্ধৰ প্ৰস্তুতি চলোৱা যেন লগা নাই। ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত চলি থকা যুদ্ধত ভাৰতে নিৰপেক্ষ স্থিতি লৈ আছে।

কিয়নো এই যুদ্ধ ২৬ তম্ দিন অতিক্ৰম কৰিছে, এই যুদ্ধ এটা বিশ্বযুদ্ধলৈ পৰিণত হোৱাৰ সম্ভাৱনা আছে। এইক্ষেত্ৰত, ৰাছিয়াই ইস্ৰায়েলক প্ৰধান শত্ৰু হিচাপে ল'ব পাৰে। তেতিয়ালৈকে বিশ্বযুদ্ধ হ'ব পাৰে। জেলেনস্কিৰ মতে ইস্ৰায়েলৰ যিকোনো দেশ বা দেশসমূহৰ ওপৰত সামৰিক শক্তি আছে। যদি ইস্ৰায়েলক আক্ৰমণ কৰা হয়, কোনেও নাজানে আহিবলগীয়া দিনবোৰত কিদৰে পৰিস্থিতিয়ে মূৰ ল'ব পাৰে। পবিত্ৰ বাইবেলৰ মতে, হৰমাগিদোন যুদ্ধৰ আগতে ৰাছিয়া ইস্ৰায়েলৰ বিৰুদ্ধে উঠিব। ইস্ৰায়েল যুদ্ধত জয়যুক্ত হ'ব আৰু ইস্ৰায়েলৰ লোকবিলাকে যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰ, পৰিত্যক্ত সামগ্ৰীবোৰক সাত বছৰৰ বাবে খৰিৰ দৰে ব্যৱহাৰ কৰিব! আজিকালি ৰাছিয়াই যুদ্ধ জাহাজবোৰ সাজিবলৈ নৰৱেৰ পৰা এক বিশেষ ধৰণৰ কাঠ আনি ব্যৱহাৰ কৰিছে। এইবোৰ সতে গুণ অধিক শক্তিশালী কিন্তু ওজন কম হয় (যিহিস্কেল ৩৮, ৩৯ অধ্যায়)।

কিন্তু আমি সকলোৱে জানো যে যি যি ঘটিব সেই সকলো ঈশ্বৰৰ ইচ্ছামতে ঘটিব! আহক আমি পৃথিৱীৰ লোকবিলাকৰ বাবে প্ৰাৰ্থনা কৰিম!

আনকি যদিও য'ত বৰ্তমানৰ যুদ্ধটোৰ এটা যুক্তিসংগত অন্ত পৰিলেও, প্ৰকাশিত বাক্যৰ পুস্তকত ঈশ্বৰৰ পৰিকল্পনা ইতিমধ্যে নিৰ্দ্ধাৰিত হৈ আছে। য'ত, ঈশ্বৰৰ নিৰ্দ্ধাৰিত সময়মতে সতোটা ছাব ভঙা হ'ব, সাতোটা তুৰী বজোৱাৰ শব্দ শুনা যাব আৰু সাতোটা কাটি বাকী দিয়া চিনবোৰে স্থান ল'ব। আমি প্ৰথম চাৰিটা ছাব ভঙাৰ পৰিণাম ভুগি আছো। মহা ক্লেশৰ সাতবছৰৰ প্ৰথম আধা বৰ্ষত পঞ্চম ছাব ভঙাৰ কাৰ্য্যই স্থান ল'ব। কিয়নো সেই সময়ত তেওঁলোক শ্বহীদ হিচাপে মৃত্যু হ'ব। মই দৃঢ়ভাৱে অনুভৱ কৰো যে এতিয়া আমি প্ৰথম চাৰিটা ছাব ভঙাৰ দিনবিলাকত বাস কৰি আছো। যাৰ বাবে আমি দেখিছো যে পৃথিৱীত আৰু প্ৰকৃতিত আচৰিত আৰু অদ্ভূত চিনবোৰ ঘটি আছে। বৰ্তমানৰ ৰাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধ ছাব ভঙাৰ অনুসাৰে চলি আছে। যীচু খ্ৰীষ্টেও পবিত্ৰ বাইবেল মথি শুভবাৰ্তাৰ ২৪ অধ্যায়ত এই কথাবোৰকেই কৈছিল।

পৃথিৱী অন্তঃ হোৱাৰ কথা আৰু তেওঁৰ দ্বিতীয় আগমনৰ কথাৰ বিষয়টোত যীচুৱে নোহৰ দিনত পৃথিৱী ধ্বংস হোৱাৰ বিষয়টোক এটা সমান্তৰাল আঁকিছে। ঈশ্বৰে নোহক আৰু তেওঁৰ পৰিয়ালবৰ্গক ৰক্ষা কৰিবলৈ এখন পানীৰ জাহাজ নিৰ্মাণ কৰিবলৈ কৈছিল, কিয়নো ঈশ্বৰে জলপ্লাৱনৰ দ্বাৰাই পৃথিৱীক ধ্বংস কৰিবলৈ সিদ্ধান্ত লৈছিল। নোহ ঈশ্বৰৰ বাধ্য হ'ল আৰু তেওঁ আৰু তেওঁৰ পৰিয়ালে ঈশ্বৰে আজ্ঞা দিয়াৰ মতে পানী জাহাজ নিৰ্মাণ কৰিবলৈ ধৰিলে। বাইবেল বিদ্বানসকলে কয় যে জাহাজখন নিৰ্মাণ কৰি সম্পূৰ্ণ কৰিবলৈ নোহৰ বাবে প্ৰায় ১০০ বছৰ সময় লাগিছিল। সেই কালৰ লোকবিলাকে নোহক ঠাট্টা কৰি হাঁহিছিল। যি কি নহওক তথাপিও নোহে সিঁহতক মন পালটন কৰিবলৈ কৈছিল আৰু জাহাজৰ ভিতৰত সোমাবলৈ কৈছিল (২ পিতৰ ২ঃ৫) কিন্তু কোনেও তেওঁৰ কথাত মন নিদিলে। জাহাজখন ঈশ্বৰে দিয়া নিৰ্দ্ধাৰিত সময়মতে তৈয়াৰ হৈ উঠিছিল।

যীচুৱে কৈছিল, "জলপ্লাৱনৰ আগদিনালৈকে, মানুহবিলাকে ভোজন পান, বিয়া কৰি বিয়া দি আছিল। আনকি যেতিয়ালৈকে নোহৰ সৈতে পৰিয়ালৰ আঠজন লোক জাহাজত সোমাইছিল আৰু ঈশ্বৰে আহি দুৱাৰ বন্ধ কৰি দিছিল। সিঁহতে অজ্ঞাত অৱস্থাত থাকোতেই জলপ্লাৱনে আটাইকে উটুৱাই নিলে! নোহ আৰু তেওঁৰ পৰিয়ালৰ বাহিৰে আটাইৰে মৃত্যু হ'ল (মথি ২৪ঃ৩৭-৩৯ পদলৈকে)

পৃথিৱীৰ বৰ্তমানৰ দিনবোৰ নোহৰ দিনতকৈয়ো ভাল বুলি ক'ব নোৱাৰি। পৃথিৱীখন দুষ্টতাৰে পূৰ্ণ হৈ আছে আৰু ঈশ্বৰৰ হস্তক্ষেপক বিচাৰি দুৰ্নীতিগ্ৰস্ত হৈ আছে। আমি আমাৰ কাৰ্য্যত শেষৰকালত বাস কৰি আছো। এতিয়া এইটো হাজাৰ ডলাৰ মূল্যৰ প্ৰশ্ন উঠি থাকে যে যীচু কেতিয়া আহিব? বহুতেই এনে মতামত দিয়ে যে যীচুৱে মহাক্লেশৰ ৭ বছৰ কাল আৰম্ভ হোৱাৰ আগতে আৰু খ্ৰীষ্টাৰিৰ আৰ্বিভাৱ হোৱাৰ আগতেই আহিব। কিছুমান মানুহে থিচলনীকীয়া ২ঃ১-৩ ৰ উৰ্দ্ধত দি কয় যে সেই পাপপুৰুষজন মহাক্লেশৰ সময়ত উপস্থিত হ'ব। এইটো এটা বিবাদৰ বিষয় নহয় যে খ্ৰীষ্টাৰি কেতিয়া আহিব? ক্লেশৰ কালৰ শেষভাগত যীচু খ্ৰীষ্ট জৈতুন পৰ্বতৰ ওপৰলৈ নামি আহিব আৰু হৰমাগিদোনত খ্ৰীষ্টাৰি ল'ব।

ছাববোৰ ভঙাৰ সময় কেতিয়া হ'ব? যীচুৱে নিজেই কৈছিল যে অনেকে মোৰ নামত আহি ক'ব, "... মই খ্ৰীষ্ট বুলি অনেকক ভুলাব" (মথি ২৪ঃ৫)। এইটোৱেই খ্ৰীষ্টাৰি আত্মাৰ কাৰ্য্য। খ্ৰীষ্টাৰিৰ আত্মাই এই পৃথিৱীত এতিয়া আছে আৰু সি কাৰ্য্যত আছে। যেতিয়া প্ৰথম ছাব মেলা হৈছিল।

## প্ৰথম ছাব!

যেতিয়া মেৰ পোৱালীয়ে সাতোটা ছাবৰ এটা মেলিলে, তেতিয়া যোহনে এটা বগা ঘোঁৰা দেখিলে। আৰু তাৰ ওপৰত বহা জনৰ হাতত ধনু আছিল। আৰু তেওঁক এটা কিৰীটী দিয়া হ'ল; তাতে তেওঁ জয় কৰি কৰি, আৰু জয় কৰিবলৈ ওলাই গ'ল (প্ৰকাশিত বাক্য ৬ঃ১,২)। যিজন মানুহ বগা ঘোঁৰাৰ ওপৰত বহি আছিল তেওঁ খ্ৰীষ্টাৰি নহয় কিন্তু যিজন অনেক দেশৰ (মানুহ) মাজৰ পৰা ওলাই আহিব তেওঁ এটা আত্মা নহ'ব কিন্তু তেওঁ দেশৰ ৰজাবিলাকৰ পৰা বা ৰাষ্ট্ৰপতি বা প্ৰধানমন্ত্ৰী বিলাকৰ পৰা এজন হ'ব। ইয়াত যিজনে বগা ঘোঁৰাত উঠি আছিল, খ্ৰীষ্টাৰিৰ আত্মা হয়, যিজন প্ৰথম শতিকাৰ পৰাই কাৰ্য্য কৰি আছে। প্ৰথম শতিকাত বাস কৰা পাঁচনি যোহনে খ্ৰীষ্টাৰিৰ আত্মাৰ উপস্থিতিৰ বিষয়ে কৈছিল আৰু তেওঁ তেওঁৰ প্ৰথম পত্ৰত লিখিছে, "হে শিশুবিলাক, শেষ কাল উপস্থিতি হৈছে আৰু খ্ৰীষ্টাৰি আহিব লাগিছে, এই যি কথা তোমালোকে শুনিলা, সেইদৰে এতিয়াই অনেক খ্ৰীষ্টাৰি হ'ল, ইয়াৰ দ্বাৰাই আমি জানো যে, শেষ কাল উপস্থিত হৈছে" (১ যোহন ২ঃ১৮)। যি মানুহে পিতৃ আৰু পুত্ৰক অস্বীকাৰ কৰে তেওঁৱেই খ্ৰীষ্টাৰি (১ যোহন ২ঃ২২)। আমি ইতিমধ্যে ক'লো যে খ্ৰীষ্টাৰি জন মানুহ হ'ব, যিজন দেশবিলাকৰ মাজৰ পৰা ওলাব, তেওঁ আহিবলৈ আছে আৰু যোহনে তাক খ্ৰীষ্টাৰিৰ আত্মা বুলি কৈছে। আমি তেনে ধৰণৰ মানুহক আজিকালিও পাব পাৰো। বগা ঘোঁৰাত উঠা মানুহজনৰ লগত বগা ঘোঁৰাত উঠা মানুহৰ পুত্ৰৰ সৈতে ভুল বুজা হ'ব নালাগে। (প্ৰকাশিত বাক্য ১৯ঃ১১)।

## দ্বিতীয় ছাব!

এটা ভয় লগা ৰঙা ঘোঁৰা ওলাই আহিল। আৰু যাতে মানুহবিলাকে পৰস্পৰে বধ কৰিব, তাৰ কাৰণে তাত উঠা জনাক, পৃথিৱীৰ পৰা শান্তি দূৰ কৰিবলৈ দিয়া হ'ল আৰু তেওঁ এখন বৰ তৰোৱাল দিয়া হ'ল (প্ৰকাশিত বাক্য ৬ঃ৩,৪)। এই মানুহজনক পৃথিৱীৰ পৰা শান্তি গুচাবলৈ অধিকাৰ দিয়া হ'ল আৰু মানুহবিলাকক এজনে আনজনক বধ কৰিবলৈ দিয়া হ'ল, এইয়ে হৈছে যুদ্ধ আৰু সন্ত্ৰাসী কাৰ্য্যবিলাক। এই পৃথিৱীত এনে অৱস্থা হাজাৰ

হাজাৰ বছৰৰ আগৰে পৰা ঘটি আছে। তেওঁ অতিকৈ এনে কাৰ্য্যত লিপ্ত হৈ আছে।

## তৃতীয় ছাব!

যেতিয়া তৃতীয় ছাব মেলা হ'ল তাতে এটা ক'লা ঘোঁৰা ওলাল আৰু মানুহজন তাৰ ওপৰত বহি আছিল তেওঁ হাতত এখন পাল্লা দিয়া হৈছিল। তেওঁক পৃথিৱীত আকাল আৰু মৃত্যু ঘটোৱাৰ ক্ষমতা দিয়া হ'ল। এই অৱস্থা পৃথিৱীৰ বিভিন্ন ভাগত ঘটিব পাৰে। আফ্ৰিকাৰ কিছুমান দেশসমূহত প্ৰায়ে আকাল হোৱা দেখা যায়। কিছুমান দেশ যেনে - ইথিওপিয়া, চুডান, চোমালিয়া ইত্যাদি দেশবোৰে এনেধৰণৰ অৱস্থাৰ সন্মুখীন প্ৰায়ে হয়। অলপতে দ্বীপ দেশ হাইটিত তীব্ৰ আগ্নেয়গিৰি হৈছিল যাৰ বাবে ডাঙৰ চুনামিৰ সৃষ্টি হৈছিল আৰু দ্বীপটোক চিনাক্ত কৰিব নোৱাৰাকৈ বিধ্বস্ত কৰিলে। তাত এতিয়া মানুহে ৰ'দত সেক দিয়া বোকাক ব্ৰেড খোৱাৰ দৰে খাইছে! শ্ৰীলংকা অভূতপূৰ্ব আকালৰ সন্মুখীন হৈছে। আফগানিস্থানো আকালৰ সন্মুখীন হওঁ হওঁ হৈছে। বৰ্তমানৰ মহামাৰী ক'ভিড- ১৯ ৰ বাবে এই পৃথিৱীয়ে তীব্ৰ খাদ্যবস্তুৰ অভাৱত পৰিব পাৰে বুলি অনুমান কৰা হৈছে।

বিল গেইটচ্ আৰু আন আন কোটিপতি বিলাকে আমেৰিকাত আৰু আন দেশসমূহত লাখ লাখ একৰৰ ফাৰ্ম ভূমি ক্ৰয় কৰিছে আৰু খেতি আৰম্ভ কৰিছে। তেওঁলোকে ইতিমধ্যে শস্যৰ বজাৰত প্ৰৱেশ কৰিছে আৰু তেওঁলোকৰ উৎপাদিত বস্তু বিক্ৰী কৰিছে। অলপতে ভাৰতত তিনিটা ফাৰ্ম আইন পাছ কৰা হৈছিল আৰু পাছত বাতিল কৰিলে এইটোৰে আমাৰ কোটিপতিবিলাকে প্ৰচুৰ পৰিমাণে খেতি কৰিবলৈ সমৰ্থ কৰিব আৰু ব্যৱসায় কৰিব! যদিও এই আইন বাতিল কৰা হ'ল, তেওঁলোক বিশ্ৰাম নল'ব। তেওঁলোকে প্ৰচলিত আইনৰ সুৰুঙাক ব্যৱহাৰ কৰাৰ দ্বাৰাই বৃহৎ অংশৰ কৃষিভূমি ক্ৰয় কৰিব আৰু কৃষি সম্বন্ধীয় ব্যৱসায়ত সোমাব। শুনা যায় যে বিৰলাই ইতিমধ্যে দেশত ডাঙৰ ডাঙৰ গুদাম নিৰ্মাণ কৰিছে। কি হ'ব? তেওঁলোকে পাইকাৰী শস্য বজাৰক বাজেয়াপ্ত কৰিব আৰু কৃত্ৰিম অভাৱক সৃষ্টি কৰিব। এতিয়া যি চাউল প্ৰতি কেজিত ৫০ টকাত বিক্ৰী কৰা হয়, ৫০০ টকা হ'বগৈ পাৰে। এই গতিকে, মানুহ ছাবৰ লগত থকাটো কাৰ্য্যত বহুত অধিক হৈ আছে।

## চতুৰ্থ ছাব!

তাৰ পৰা এটা পাণ্ডু বৰণীয়া ঘোঁৰা ওলালে, তাৰ ওপৰত বহা মানুহজনৰ নাম মৃত্যু; আৰু পৰলোক তাৰ পাছে পাছে চলিছিল। আৰু তৰোৱাল, আকাল, মৃত্যু আৰু পৃথিৱীৰ বনৰীয়া জন্তুৰ দ্বাৰাই বধ কৰিবলৈ পৃথিৱীৰ চাৰিভাগৰ এভাগৰ ওপৰত সেই উভয়ক ক্ষমতা দিয়া হ'ল (জন্তুৰ দ্বাৰা মহামাৰীৰ বিয়পা)। দেশবিলাকে তৰোৱাল বিৰুদ্ধে তৰোৱাল লয় আৰু পৃথিৱীয়ে ইতিমধ্যে হাজাৰ হাজাৰ লোকৰ মৃত্যুৰ সৈতে ১৯১৮ চনত আৰু ১৯৪৫ চনত দুটা মহাযুদ্ধ দেখিছে। আৰু পৃথিৱীৰ বিভিন্ন প্ৰান্তত যুদ্ধ হৈছে আৰু হতাহত ডাঙৰ অনুপাতত হৈ আছে। ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত যুদ্ধ চলি আছে! ভাইৰাচবোৰ যেনে- এইচ, আই, ভি, এইচ, আই, ভি, আই, ইনফ্লুয়েঞ্জা (১৯১৮), এইচ, এন (১৯৫৭), জিকা (২০১৮), জ্বৰ ১৯৬৮ (২০২০) আৰু নিফা (২০২১), আৰু বৰ্তমানৰ এটা ক'ভিড- ১৯ য়ে হাজাৰ হাজাৰ জীৱন ধ্বংস কৰিছে। জন্তুবোৰে এনে ভাইৰাচ কঢ়িয়াই ফুৰে। সিঁহতে মানুহৰ জীৱনলৈ বিশাল ক্ষতি কৰিছে। এবাৰ ভাইৰাচে আক্ৰমণ কৰিবলৈ ল'লে, ই সোনকালে নমৰে। এইবোৰে এতিয়াও ঘূৰি ফুৰি আছে।

## পঞ্চম ছাব!

তেওঁলোকক ঈশ্বৰৰ বাক্যৰ বাবে আৰু নিজে পোৱা সাক্ষ্যৰ বাবে হত কৰা হ'ব। বেদিৰ তলত দেখা ছহীদ হোৱাবিলাকে প্ৰথম ৩১/২ বছৰৰ মহাক্লেশৰ সময়ত মৃত হৈছিল, তেওঁলোক ঈশ্বৰৰ বাক্যৰ বাবে থিয় দিছিল আৰু তুলি নিয়াৰ পাছত তেওঁৰ সাক্ষ্য দিছিল। গতিকে ছাবটো তুলি নিয়াৰ পাছত মেলা হ'ব পাৰে।

## ষষ্ঠ ছাব!

আগত মেলা ছাববিলাকৰ মাজত ষষ্ঠম ছাবটোৰ পৰিনামটো বৰ ভয়ানক আৰু বিধ্বংসী হৈছে। এই পৰিণামবিলাকৰ তালিকা দিয়া আছে, মথি ২৪ অধ্যায়টোত প্ৰকাশিত বাক্য ৬ঃ১২-১৭ পদত দিয়াৰ দৰে আছে। এই বিলাকক তলত উল্লেখ কৰা হৈছে ঃ

১। এটা মহা-ভূমিকম্প হ'ল; আৰু নোমৰ চট কাপোৰৰ নিচিনা সূৰ্য্য ক'লা হ'ল; আৰু চন্দ্ৰৰ গোটে ইটো তেজৰ নিচিনা হ'ল

২। আৰু বৰ বতাহে লৰোৱা ডিমৰু গছৰ আপঁইতা গুটি যেনেকৈ সৰি পৰে, তেনেকৈ

৬ পৃষ্ঠাত চাওঁক

নহিমিয়া বাইবেল সন্ধ্যা / আবাসিক মহাবিদ্যালয়, চেন্নাই

মাধ্যম ঃ হিন্দী / তামিল

Regd. Candidate for Membership ATA NEHEMIAH BIBLE COLLEGE CHENNAI ECHO OF HIS CALL Estd. 1969

যোৱা ৫৩ বছৰ ধৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ পালকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ দ্বাৰা অনুমোদন প্ৰাপ্ত! ATA

প্ৰমাণ পত্ৰ পাঠ্যক্ৰম ঃ এবছৰীয়া
ডিপ্লমা ইন থিয়ল'জি ঃ দুবছৰীয়া

অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ বা অধিক নামভৰ্তিৰ বাবে সোনকাল কৰক!

Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

✶ ONLINE CLASSES ARE AVAILABLE ✶

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



### ২০২২ চনৰ ১৯ মে'ৰ পৰা ২০২২ চনৰ ১৮ জুনলৈ

## প্ৰশংসাৰ বিষয়সমূহ

মে ১৯ ঃ ভাৰতত ক'ভিড- ১৯ সংক্ৰমণ হ্ৰাস হোৱাৰ বাবে প্ৰভুক প্ৰশংসা কৰোঁ।

মে ২০ ঃ আমাৰ ছপাশালক আৰু ইয়াত ১৬ টা ভাষাত আলোচনী ছপা কৰি মিশ্বন ফিল্ডলৈ পঠোৱাত আশীৰ্বাদ কৰাৰ বাবে ঈশ্বৰক প্ৰশংসা কৰোঁহক।

মে ২১ ঃ ক'ভিড- ১৯ ৰ কালছোৱাত ঈশ্বৰে আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্য্যাসমূহৰ সকলো কাৰ্য্যকলাপবিলাকক আশীৰ্বাদ কৰিলে।

মে ২২ ঃ আমাৰ সহকাৰী সম্পাদকসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক সা-সুবিধা যোগোৱাৰ বাবে ঈশ্বৰক প্ৰশংসা কৰোঁহক।

মে ২৩ ঃ প্ৰাৰ্থনা অংশীদাৰসকল, চাবচক্ৰাইবিং অংশীদাৰসকল, বিশ্বাস অংশীদাৰসকল, জীৱন অংশীদাৰসকল, মহান আজ্ঞা অংশীদাৰসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে, আমি প্ৰভু ঈশ্বৰক প্ৰশংসা কৰোঁ।

মে ২৪ ঃ আমাৰ নতুন বিশ্বাসীসকলক আমাৰ মণ্ডলীত অভিষেক কৰি আশীৰ্বাদ কৰাৰ বাবে ঈশ্বৰক প্ৰশংসা কৰোঁহক।

মে ২৫ ঃ যোৱা মাহত ঈশ্বৰে আমাৰ তেওঁৰ আহ্বানৰ পৰিচৰ্য্যাসমূহক আশীৰ্বাদ কৰিলে।

মে ২৬ ঃ শুভবাৰ্তা সম্বন্ধীয় যাত্ৰাত আশীৰ্বাদ কৰাৰ আমি আন্তৰিকতাৰে ঈশ্বৰক প্ৰশংসা কৰোঁ।

মে ২৭ ঃ আমাৰ হিন্দী থিয়'লজীকেল পাঠ্যক্ৰমৰ বাবে অনলাইন ক্লাচক আশীৰ্বাদ কৰিলে।

মে ২৮ ঃ আমাৰ দেশখনক ঈশ্বৰে ৰক্ষা কৰি থকাৰ বাবে তেওঁক প্ৰশংসা কৰোঁ।

মে ২৯ ঃ থিয়'লজীকেল চেমিনাৰী নিয়মীয়াকৈ আয়োজন কৰাত সমৰ্থ কৰাৰ বাবে ঈশ্বৰৰ প্ৰশংসা হওক।

মে ৩০ ঃ যোৱা মাহত আমাৰ অভাৱসমূহ পূৰ্ণ কৰাৰ বাবে ঈশ্বৰক প্ৰশংসা কৰোঁ।

মে ৩১ ঃ ১৯৬৯ চনৰ পৰা আলোচনী পৰিচৰ্য্যালৈ আমাৰ অঙ্গীকাৰৰ ওপৰত তেওঁৰ আশীৰ্বাদ সমূহৰ বাবে তেওঁক প্ৰশংসা কৰোঁ।

জুন ০১ ঃ আমাৰ বাইবেল যোগাযোগ পাঠ্যক্ৰম আৰু থিয়'লজীকেল যোগাযোগ পাঠ্যক্ৰমৰ বৃদ্ধিৰ বাবে ঈশ্বৰক প্ৰশংসা কৰোঁ।

জুন০২ ঃ আমাৰ কৰ্মীসকলৰ পৰিয়ালবৰ্গৰ ওপৰত ঈশ্বৰৰ আশীৰ্বাদসমূহৰ বাবে তেওঁক প্ৰশংসা কৰোঁ।

জুন ০৩ ঃ ঈশ্বৰ আমাৰ প্ৰভুৱে আমাৰ জ্যেষ্ঠ পালক, এচ, চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো মন্দ শক্তিৰ পৰা ৰক্ষা কৰি আছে।

## প্ৰাৰ্থনাৰ বিষয়সমূহ

জুন ০৪ ঃ আমাৰ ছাপাশালক আশীৰ্বাদ কৰিবৰ বাবে আমাৰ ঈশ্বৰলৈ প্ৰাৰ্থনা কৰোঁহক।

জুন ০৫ ঃ আমাৰ বাসগৃহ নহিমিয়া বাইবেল কলেজৰ বাবে ছাত্ৰ-ছাত্ৰী সংগ্ৰহ কৰিবৰ বাবে আমাৰ ঈশ্বৰলৈ প্ৰাৰ্থনা কৰক।

জুন ০৬ ঃ ঈশ্বৰলৈ সকলো দেশসমূহৰ মাজত অখণ্ডতাৰ বাবে নিৰন্তৰে প্ৰাৰ্থনা কৰক।

জুন ০৭ ঃ আমাৰ ইংৰাজী সহকাৰী সম্পাদক ভাই এম. পৌলৰাজে তেওঁৰ ৰোগৰ পৰা সম্পূৰ্ণ সুস্থ হ'বলৈ আৰু শান্তিময় জীৱন লৈ জীয়াই থাকিবলৈ প্ৰাৰ্থনা কৰক।

জুন০৮ ঃ পৃথিৱীৰ পৰা সম্পূৰ্ণভাৱে কৰ'না ভাইৰাচ সোনকালে গুচাই দিবলৈ প্ৰাৰ্থনা কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হওক।

জুন ০৯ ঃ যিকোনো প্ৰকাৰে আৰু যিমান দূৰ সম্ভৱ হয় আমাৰ পৰিচৰ্য্যাসমূহৰ বিস্তাৰ হ'বলৈ প্ৰাৰ্থনা কৰক।

জুন ১০ ঃ সকলো দিশত আৰু পৰিকল্পনাত আমাৰ দেশৰ একতা আৰু সমৃদ্ধিৰ বাবে প্ৰাৰ্থনা কৰক।

জুন ১১ ঃ আমাৰ অনুস্থান, সকলো কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ লাভৰ বাবে ঈশ্বৰলৈ প্ৰাৰ্থনা কৰোঁহক।

জুন ১২ ঃ সকলো ধৰ্মৰ মাজত একতাৰ বাবে প্ৰাৰ্থনা কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হওঁ।

জুন ১৩ ঃ খ্ৰীষ্টিয়ান অনুস্থানবিলাকৰ ওপৰত আশীৰ্বাদ আৰু নিৰাপত্তাৰ বাবে প্ৰাৰ্থনা কৰোঁহক।

জুন ১৪ ঃ শুভবাৰ্তা নোপোৱা ঠাইবিলাকত শুভবাৰ্তা বিলাবলৈ আমি সমৰ্থ হ'বলৈ প্ৰাৰ্থনা কৰক।

জুন ১৫ ঃ পৃথিৱীৰ সকলো ঠাইৰ লোকবিলাকৰ নিৰাপত্তাৰ বাবে প্ৰাৰ্থনা কৰক।

জুন ১৬ ঃ আমাৰ অংশীদাৰ আৰু ৰাজ্যিক সহঃ পৰিচালক আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে প্ৰাৰ্থনা কৰক।

জুন ১৭ ঃ পৃথিৱীত ঈশ্বৰৰ ৰাজ্য নিৰ্মাণ কৰিবলৈ আৰু অধিক দৰ্শন পাবলৈ ঈশ্বৰলৈ প্ৰাৰ্থনা কৰক।

জুন ১৮ ঃ আমাৰ জ্যেষ্ঠ পালক, এচ, ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো মন্দ শক্তিৰ পৰা ৰক্ষা পাবলৈ প্ৰাৰ্থনা কৰক।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

আকাশৰ তৰাবোৰ পৃথিৱীত পৰিল;

৩। আৰু আকাশ-মণ্ডল, নুৰিওৱা পুথিৰ দৰে, লুপ্ত হ'ল; আটাই পৰ্বত আৰু দ্বীপবোৰক নিজ নিজ ঠাইৰ পৰা লৰোৱা হ'ল।

৪। আৰু পৃথিৱীৰ ৰজাসকলে, প্ৰধান লোক, সেনাপতি, ধনৱন্ত আৰু বলৱন্ত বিলাকে, সকলো দাস আৰু স্বাধীন লোকে, গুহাত আৰু পৰ্বতৰ শিলৰ মাজত নিজক লুকুৱাই, সেই পৰ্বত আৰু শিলবোৰক ক'লে,

৫। আমাৰ ওপৰত পৰি, সেই সিংহাসনত বহি থকা জনাৰ সন্মুখৰ পৰা আৰু সেই মেৰ পোৱালিৰ ক্ৰোধৰ পৰা আমাক লুকুওৱা

৬। "কিয়নো তেওঁলোকৰ ক্ৰোধৰ অহা দিন আহিল, আৰু কোনে থাকিব পাৰে?"

প্ৰিয় বন্ধুসকল, যি যি বিধ্বংসী ঘটনাবোৰ ঘটিবলৈ গৈ আছে বা এতিয়া ঘটি আছে বা ঘটিব, সেইবোৰক ৫০ বছৰৰ আগতে দেখিব পোৱা নগ'ল আৰু এই ঘটনাবোৰ ইয়াৰ পাছত স্থান ল'ব। এই তালিকাভুক্ত বিধ্বংসী ঘটনাবিলাক ঘটিবলৈ আৰম্ভ হৈছে আৰু আহিব লগা দিনবিলাকত এই ঘটনাবিলাক ক্ৰমে ক্ৰমে বৃদ্ধি পাব। অৱশ্যে এইবিলাক অতি সোনকালে ঘটিব পাৰে বা ৫০ বা ১০০ বছৰৰ ভিতৰত ঘটিব পাৰে। প্ৰভুৰ আগত এদিনেই হাজাৰ বছৰৰ নিচিনা, আৰু হাজাৰ বছৰেই এদিনৰ নিচিনা, কিয়নো তেওঁ অনন্তকলীয়া, তাৰ মানে তেওঁ সৃষ্টিৰ আগতো আছিল আৰু পাছতো আছে।

## সপ্তম ছাব

পাছে তেওঁ সপ্তম ছাব মেলিলত, স্বৰ্গত আধা ঘণ্টামান কোনো শব্দ নাইকিয়া হ'ল (প্ৰকাশিত বাক্য ৮ঃ১)। এইটো উল্লেখ কৰা উচিত হ'ব যে যেতিয়া গোটেই পৃথিৱীখন বিশৃংখল আৰু অশান্তিত আছিল, আধা ঘণ্টা শান্তিত থকা মানে, তেতিয়া পৃথিৱীয়ে চাবলগীয়া ডাঙৰ বিধ্বংসৰ ভাঁজ মেলা হ'ব। সপ্তম ছাবটোক মেলা মানে এই ছাবটোৰে নিজে ধ্বংস অনাৰ বিষয়টো নহয়, কিন্তু সাতোটা তুৰীবজাৰ শব্দ দ্বাৰাই আৰু সাতোটা বাটি পৃথিৱীত বাকী দিয়াত হ'বলগীয়া বৃহৎ ধ্বংসক মেলিছে। বাইবেল পণ্ডিতবিলাকে বিশ্বাস কৰে যে তুৰীবাদ্যৰ শব্দটো মহাক্লেশৰ সময়ত প্ৰথম ৩½ বছৰত হ'ব (১২৪০ দিন) আৰু বাটি বাকী দিয়া সময়টো মহাক্লেশৰ সাত বছৰৰ দ্বিতীয় আধা বছৰৰ সময় ঘটিব। আৰু সাধুবিলাকক সাত বছৰে মহাক্লেশৰ আৰম্ভণী আগতে তুলি নিয়া হ'ব। আমি ইতিমধ্যে দেখিছো যে মহাক্লেশ আৰম্ভণীৰ আগতে মণ্ডলীক তুলি নিয়া হৈছিল।

এতিয়া আমি, আমাৰ নাকৰ তলত ঘটি থকা ঘটনাবিলাকক বৰ্ণনা কৰিব লাগে, যি ঘটনাবিলাক ৫০ বছৰ বা তাৰ আগতে ঘটা নাছিল। আৰু আমি বুজা উচিত যে প্ৰথম চাৰিটা ছাব মেলাৰ পৰিণামবোৰ থমি যোৱা নাই, কিন্তু এইবোৰ পৃথিৱীতে আছে আৰু ঘটি আছে।

## ভূমিকম্প, সূৰ্য্য কলা হোৱা আৰু জোন ৰঙা

ভূমিকম্পবোৰ প্ৰথম শতিকাৰ পৰা আনকি তাৰ আগৰে পৰা ঘটি আছে। কিন্তু এইবিলাকৰ তীব্ৰতা আৰু বাৰে বাৰে হোৱাটো বৰ্তমানৰ তুলনাত কম আছিল। প্ৰায় দহ বছৰৰ আগতে, ভাৰতৰ গুজৰাট ৰাজ্যত প্ৰচণ্ড ভূমিকম্প হৈছিল য'ত শ শ লোকৰ মৃত্যু হৈছিল আৰু শ শ ঘৰ পৰি চেপেটা হৈছিল বা ডুব গৈছিল। অলপতে জাপানৰ ফুকু শিমাত ডাঙৰ ভূমিকম্প হৈছিল য'ত পাৰমাণৱিক শক্তি কেন্দ্ৰটো সম্পূৰ্ণ ধ্বংস হৈছিল। ২০০৪ চনত, এটা ভূমিকম্পই ইণ্ডোনেছিয়াত খুন্দা মাৰিছিল য'ত বহুত মানুহৰ জীৱন সা-সম্পত্তি নষ্ট কৰিলে আৰু পাছত ছুনামী অহাত উপকূলীয় অঞ্চলৰ দেশসমূহ যেনে -ভাৰত, শ্ৰীলঙ্কা, থাইলেণ্ড আৰু অন্যান্য দেশসমূহৰ কোম্পানীৰ লাখ লাখ লোকৰ মৃত্যু হ'ল। পূব উপকূলত ভাৰতত প্ৰচণ্ড প্ৰহাৰ কৰিলে য'ত ১.৫০ জন লোকৰ প্ৰাণহানি হ'ল।

পৃথিৱীৰ বহুত ঠাইত ভূমিকম্প বিভিন্ন মাত্ৰাত হৈ আছে আৰু ইয়াৰ বাৰংবাৰ আৰু তীব্ৰতা সময়ে সময়ে বেলেগ হয়। এইবোৰে ভূমিকম্প আৰু ছুনামিৰ বিৰোধে মানুহৰ দুৰ্বলতাৰ অনুমান কৰায়।

সূৰ্য্য হৈছে হাতীপটিত থকা আমাৰ আটাইতকৈ ডাঙৰ গ্ৰহ। যোৱা ৫০ বছৰে বা তাতোতকৈ অধিক বছৰ ধৰি ব্ৰিটেইনৰ ষ্টেফেন হাউকিন্স নামৰ এজন বৈজ্ঞানিকে সূৰ্য্যৰ পৃষ্ঠত কলা গাঁতৰ উপস্থিতিৰ বিষয়ে কৈ আছিল। এই মন্তব্যই প্ৰচলন জমা কৰিছিল আৰু অনেক বৈজ্ঞানিকবিলাকে ইয়াক অনুমোদন দিছিল আৰু নাছায়ো ইয়াৰ সৈতে সন্মত হৈছিল। হাইড্ৰোজেন জ্বলি থকাৰ বাবে এই কলা গাঁতৰ সৃষ্টি হৈছে, যাৰ ফলত প্ৰকাণ্ড উপত্যকা পৰ্যন্ত হৈছে। এই ঘটনাৰ ফলত সূৰ্য্যৰ তাপৰ বৃদ্ধি হৈছে আৰু ৰশ্মি নিৰ্গত হৈছে। এটা অদ্ভুত ঘটনা ঘটে তাত চলাৰ ছুনামি হ'ব, কলা গাঁতটোৰ পৰা গৰম টো নিৰ্গত হ'ব আৰু সূৰ্য্যৰ পৰা ৰশ্মি নিৰ্গত হ'ব। এইবোৰ বৈদ্যুতিকভাৱে চাৰ্জ কণিকা হয় যিবোৰে সূৰ্য্যৰ


**নহিমিয়া বাইবেল আৱাসিক মহাবিদ্যালয়সমূহ**

**তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ**

(বাসগৃহ - হিন্দী আৰু সন্ধ্যাবেলা তামিল ভাষাত)





এচিয়া থিয়'ল'জিকেল এচ'চিয়েচন (ATA)
সদস্য প্ৰাপ্তিৰ বাবে ৰেজিষ্টাৰ ভক্ত প্ৰাৰ্থী

**২৩ তম্ উপাধিকৰণৰ কাৰ্য্যসূচী**

৩ জুন, ২০২২
শুক্ৰবাৰ, সন্ধিয়া ৫.০০ বজাত

বালাৰ কালাভি নীলায়াম হলত
এম আৰ চি চেণ্টাৰ, অনিথা মেট্ৰিকুলেশ্বন স্কুল কম্পাউণ্ড,
৫/৬, ৰিৰ্থাদন ৰ'ড, ভেপাৰী, চেন্নাই - ৬০০০০৭

প্ৰাৰ্থনা আৰু সহযোগ কৰক

- ২০২২-২০২৩ বৰ্ষৰ বাবে নামভৰ্তিকৰণ চলি আছে
- ছাত্ৰ-ছাত্ৰীসকলৰ উপযুক্ত প্ৰশংসা পত্ৰ লাগিব
- হিন্দী আবাসী ছাত্ৰ-ছাত্ৰীৰ বাবে ছাত্ৰবৃত্তি
- **Classes for the academic year 2022-23 will commence on 06.06.2022!!!!**

পালক এচ. চাম ছেলভা ৰাজ, সভাপতি

ওচৰত থকা গ্ৰহবিলাকত বেছি প্ৰভাৱ পেলাই। সূৰ্য্যৰ পৰা আমাৰ পৃথিৱীখন তৃত্ব গ্ৰহ হয় আৰু আমি বিপদত মণ্ডলত আছো।

অলপতে ইয়ে ২৯-০১-২০২২ তাৰিখে পৃথিৱীক আঘাত কৰিছিল আৰু এণ্টাকৰ্টিকা অঞ্চল আৰু গ্ৰীনলেণ্ড দ্বীপত লোকচান কৰিছিল। সাধাৰণতে, এই দ্বীপটোক সদায় বৰফে ঢাকি ৰাখে আৰু তাত বৰষুণ নহয়। চলাৰ ছুনামি আৰু তাপৰ পৰিৱৰ্তনৰ বাবে এই অঞ্চলত সেউজীয়া আৰু বৰফ বৃহৎ পৰিমাণত গ'লে আৰু সাগৰৰ স্তৰটো বঢ়াই দিয়ে, যাৰ বাবে তলৰ উপকূলীয়া দেশসমূহত জলপ্লাৱিত কৰে। উপকূলীয়া দেশসমূহক নিৰাপদ স্থানলৈ যাবলৈ জাননী দিয়া হৈছে। ইণ্ডোনেছিয়াই ইতিমধ্যে ইয়াৰ মুখ্য কাৰ্যালয় জাৰ্কাথা এটা ভিতৰুৱা অঞ্চললৈ স্থানান্তৰ কৰিছে আৰু প্ৰায় ২০ লাখ লোকে স্থানান্তৰ কৰিবলৈ প্ৰচেষ্টা চলাই আছে।

এতিয়া কলা গাঁতটোৱে সূৰ্য্যৰ পৃষ্ঠৰ প্ৰায় ১২% দখল কৰিছে আৰু পিছত সেইটো ১০০% হ'বগৈ। যেতিয়া এইদৰে ঘটিব, বাইবেলত যিদৰে কোৱা আছে, সেইটো পৰিপূৰ্ণ হ'ব।

এই পৃথিৱীখন চলাৰ ছুনামিৰ আক্ৰমণৰ কবলত পৰাৰ বহুত সম্ভৱ আছে। যেতিয়া ঈশ্বৰে পৃথিৱীখন সৃষ্টি কৰিলে, তেওঁ পৃথিৱীক সূৰ্য্যৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ তিনিটা স্তৰৰ আৱৰণ গঠন কৰিছিল। নোহৰ দিনত যেতিয়া জলপ্লাৱনেৰে পৃথিৱীক ধ্বংস কৰা হৈছিল, প্ৰথমটো স্তৰ, পৃথিৱীৰ ওপৰত জলৰ এটি আৱৰণ সেইটোৰ ক্ষয় হৈছিল। দ্বিতীয়টো প্ৰতিৰক্ষামূলক অ'জন স্তৰটো বিষাক্ত গেছ নিৰ্গমনৰ দ্বাৰাই নষ্ট হৈছিল যেনে - কাৰ্বন-ডাই-অক্সাইড, নিট্ৰওচ অক্সাইড ইত্যাদি। গধুৰ শিল্পায়ন, অটোমোবাইল অন্যান্য বস্তুৰ বিস্ফোৰণৰ দ্বাৰা গেছ নিৰ্গত হোৱাৰ বাবে নষ্ট হৈছে। অ'জন স্তৰটো আমাৰ জীৱন কালত নষ্ট হৈছে! এতিয়া তৃতীয় প্ৰতিৰক্ষামূলক স্তৰ, চুম্বকীয় ক্ষেত্ৰটো কেৱল আমাক ৰেডিয়েশ্বনৰ পৰা ৰক্ষা কৰিবলৈ বাচি আছে। এইটোও বিষাক্ত গেছৰ নিৰ্গত একেৰাহে হৈ থকাৰ বাবে প্ৰহাৰ খাই আছে।

ইউ, এন, অ য়ে ইতিমধ্যে পৃথিৱীৰ দেশসমূহক বিশেষকৈ উচ্চ শিল্পায়ন দেশসমূহক শূণ্য গেছ নিৰ্গত নিশ্চিত কৰিবলৈ আহ্বান কৰিছে। শূণ্য নিৰ্গমনৰ লক্ষ্যত উপনীত হ'বলৈ প্ৰতিটো দেশে এটা সময় সীমা নিৰ্ধাৰণ কৰিছে আৰু ভাৰতেও এতিয়াৰ পৰা ৩০ বছৰ সময়ৰ নিৰ্ধাৰণ কৰিছে।

সূৰ্য্যৰ তাপ বৃদ্ধি হোৱাৰ কাৰণে, সুমেৰু অঞ্চল আৰু আন আন অঞ্চলত বৰফ দ্ৰুত গতিত গলি আছে আৰু সমুদ্ৰ পৃষ্ঠৰ উচ্চতা বৃদ্ধি পায়। ইয়াৰ বাবে বায়ুমণ্ডলত তাপমাত্ৰা বৃদ্ধি পায় আৰু ইয়াৰ ফলস্বৰূপে অলপতে অনেক ইউৰোপীয় দেশ আৰু চীনদেশত বৰষুণ হোৱাত ব্যাপক ক্ষতি হৈছিল।

সূৰ্য্যৰ কলা গাঁতটোৰ সীমা চলাৰ ছুনামি অহা দিনবিলাকত বৃদ্ধি পোৱাৰ আশংকা দেখি পৃথিৱীৰ দেশসমূহে ভয় আৰু হতাশাত ভুগিছে। অন্তত কিছুমান মানুহে তেওঁলোকৰ হৃদয়ৰ কাষতে থকা বস্তুবোৰক ৰক্ষা কৰিবলৈ বিভিন্ন ধৰণৰ পথবোৰক আৱিষ্কাৰ কৰিছে। আমেৰিকাই এই ক্ষেত্ৰত আগত আছে। তেওঁলোকে ডাঙৰ পাহাৰ পৰ্বতৰ তলৰ গভীৰতাত ১০০ টাতকৈ অধিক বাঙ্কাৰ তৈয়াৰ কৰিছে। প্ৰতিটো বাঙ্কাৰ ১৪০০ ফুটৰ পৰা ২০০০ ফুট গভীৰতাৰ নিৰ্মাণ কৰিছে। প্ৰতিটো বাঙ্কাৰৰ আকাৰ পাৰ্থক্য থাকিব পাৰে। যি কি নহওক প্ৰত্যেক বাঙ্কাৰত সকলো ধৰণৰ সা-সুবিধা থকাৰ লগতে বাঙ্কাৰ কেইটাৰ আকাৰ এখন সৰু নগৰৰ সমান আছে। প্ৰতিটো বাঙ্কাৰত ৪ ৰ পৰা ৬ মাহৰ বাবে আবাসিক সুবিধা আছে আৰু এজন ব্যক্তিয়ে ইয়াত থকাৰ ভাড়া ২ লাখ ডলাৰ দিব লাগিব। প্ৰাইভেট খেলুৱৈ বিলাকেও ইয়াত ভিৰ কৰে।

আৰু বহুত ইউৰোপীয়ান দেশসমূহে নিজৰ লোকসকলক সাহাৰ্য্য দিবলৈ বাঙ্কাৰ নিৰ্মাণ কৰিবলৈ আৰম্ভণি কৰিছে। দেশসমূহ যেন - নৰৱে, চুইজাৰলেণ্ড, চুইডেন ইত্যাদি একেবাৰে আগত আছে। এক মিলিয়ন ডলাৰ প্ৰশ্নৰ উত্তৰ দিবলৈ থাকি যায়। যেতিয়া ডাঙৰ ভূমিকম্প, বা আগ্নেয়গিৰিৰ উদ্গীৰণ হয়, বাঙ্কাৰটোৱে কিমান ৰক্ষা কৰিব পাৰিব। যেতিয়া পৃথিৱীখন ব্যাপক হত্যাৰ অধীনত পৰে, ৪ বা ৬ মাহৰ বাবে ৰক্ষা পৰিবলৈ এইটো যথেষ্ট হ'ব নে? মানুহে ঈশ্বৰৰ ডিজাইন হৰুৱাব নোৱাৰে!

বিশ্ব সন্থাই যোৱা ফেব্ৰুৱাৰীৰ ২৮ তাৰিখত এটা ৰিৰ্পোট প্লাবিচ কৰে। ইয়াত বিশ্বক সৰ্তক কৰি কয় যে ১.৫% লৈকে তাপমাত্ৰা বৃদ্ধি পাব পাৰে বা আনকি পৰৱৰ্তী দুটা দহকত অধিক বৃদ্ধি পাব পাৰে। এইটোৱে প্ৰকৃতি আৰু মানুহৰ ওপৰত অধিক প্ৰভাৱ পেলাব। ভাৰতৰ বহুতো চহৰবিলাকত ৩৫-৩৬° চে. অতিক্ৰম কৰিছে। গতিকে, এই পৃথিৱীখন মানুহৰ বসবাসৰ বাবে অযোগ্য হৈ পৰিছে।

আন এটা ডাঙৰ বিপদে পৃথিৱীত ভাবুকি আনি আছে, এইটো হৈছে বিস্ফোৰক সামগ্ৰীবোৰৰ উপস্থিতি থকাৰ লগতে পাৰমাণৱিক বোমাবোৰ ভূমিৰ গভীৰতাত ধপ কৰি পেলাই দিলেই, এই পৃথিৱীক অনেকবোৰ ধ্বংস কৰাৰ যথেষ্ট হয়। যেতিয়া এটা শক্তিশালী ভূমিকম্প বা আগ্নেয়গিৰিয়ে আঘাত কৰিব, পাৰমাণৱিক অস্ত্ৰাগাৰ আৰু বিস্ফোৰক বস্তুবোৰৰ কি ঘটিব? প্ৰায় প্ৰত্যেক ঘৰতেই গেছ (এল, পি, জি) সংযোগ আছে, উন্নত দেশসমূহত আৰু ভাৰতত এতিয়া গেছ পাইপ লাইনৰ ব্যৱহাৰ হৈ আছে। যেতিয়া দুৰ্যোগ আহিব, এল, পি, জি, আৰু জমা ৰখা টেংকলৈ কি ঘটিব? কিয়নো, কোনো সন্দেহ নাই যে পৃথিৱীখন আগ্নেয়গিৰি ওপৰতে বহি আছে

ৰঙা জোনৰ উপনেত্ৰ পৃথিৱীৰ বভিন্ন প্ৰান্তত দেখা গৈছে। অলপতে ভাৰতৰ এই দৃশ্য খালী চকুৰে মানুহে দেখি পাইছিল। ইয়াৰ দৃশ্য এই কেইটা বছৰবিলাকত বাৰে বাৰে দেখা গৈ আছে।

আকাশ মণ্ডলৰ গ্ৰহাণু আৰু ৰূপক পৰি থকা দেখিবলৈ পোৱাটো সাধাৰণ দৃশ্য হৈ পৰিছে। কেইদিনমানৰ আগতে এটা ছয় টন গ্ৰহাণু সাগৰত পৰিছিল। এতিয়া, গ্ৰহাণু পৰাটো স্বাভাৱিক বিষয় হৈ পৰিছে, আৰু ইয়াৰ বিষয়ে বাইবেলত লিখা আছে যে, বৰ বতাহে লৰোৱা ডিমৰু গছৰ আপইতা গুটি যেনেকে সৰি পৰে, তেনেকৈ আকাশৰ তৰাবোৰ পৃথিৱীত পৰিল।

তাপমাত্ৰা বৃদ্ধিৰ কাৰণে, বাইবেলত লিখাৰ দৰে, নুৰিওৱা পুথিৰ দৰে আকাশ-মণ্ডলক নুৰিওৱা যাব। আটাই পৰ্বত আৰু দ্বীপবোৰক নিজ নিজ ঠাইৰ পৰা লৰোৱা হ'ল। মানুহবিলাকে গুহাত আৰু পৰ্বতৰ শিলৰ মাজত নিজকে লুকুৱাই আৰু আনকি সেই পৰ্বত আৰু শিলবোৰক তেওঁবিলাকৰ ওপৰত পৰিবলৈ ক'ব সেই কালত আনকি মৃত্যুও তেওঁবিলাকৰ পৰা পলাব।

প্ৰকাশিত বাক্য ১৩ ঃ১৬-১৮ পদত এইদৰে লিখা আছে, এই পৃথিৱীৰ প্ৰত্যেক ব্যক্তিয়ে, ডাঙৰ বা সৰুৱেই হওঁক, সকলোৱে সোঁহাতত বা কপালত ছাব মৰাব লাগিব। ইয়াৰ বাবে, খৃষ্টাৰিৰ প্ৰতিনিধিবিলাকে এতিয়া প্ৰত্যেক ব্যক্তিৰ ৰেৰ্কড ডিজিটেলকৰণ কৰাত ব্যস্ত হৈ আছে। প্ৰায় সকলো দেশসমূহে ইতিমধ্যে আধাৰ কাৰ্ড জাৰি কৰি আছে। মোবাইল নম্বৰত আৰু বেঙ্ক একাউণ্ট নম্বৰত ১৬ টা সংখ্যা থকা নম্বৰ দিবলৈ ঠিক কৰা হৈছে, লগতে দুটা কম্পিউটাৰ কোড যোগ কৰি ১৮ টা নম্বৰ হ'ব। যদি ১৮ টা সংখ্যা থকা নম্বৰক হিচাব কৰা হয় তেন্তে এইটোৱে ৬৬৬ ৰ অসামান্য নম্বৰ দিব আৰু এই নম্বৰটো অদ্ভুত পশুৰ নম্বৰ হয়। এই সকলো বস্তুবোৰক এটা বায়'চিপত ভৰোৱা হৈছে

৯ পৃষ্ঠাত চাওঁক



# গৰাহৰ পৰা ৰাজগৃহলৈ

## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**“যিজনে পঢ়ে, তেওঁ বুজক” মথি ২৪ ঃ ১৫**

## ঈশ্বৰ, যিজনে গঢ়ি তোলে!

ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰাই, মই ইৰানিয়েল চৰকাৰী হাইস্কুলত, ১৯৬২ চন আৰু ১৯৬৫ চনৰ মাজভাগত নৱম, দশম আৰু একাদশ শ্ৰেণীত অধ্যয়ন কৰিছিলো, এই স্কুলখন মোৰ জন্মস্থান গাওঁখনৰ কাষতে লাগি আছিল। ইয়াৰ পাছতে মই, লক্ষীমপুৰাম কলেজ অফ আৰ্ট এণ্ড চাইন্সত মোৰ প্ৰি ইউনিৰ্ভাৰচিটি কৰ্চ (পি, ইউ, চি) কৰিলো। এই কলেজখনো মোৰ গাঁওখনৰ কাষতে লাগি আছিল।



Rev. Dr. A. Selvaraj

ৰেভাঃ ডাঃ এ, ছেলভা ৰাজ, যিজনে বৰ্তমান ইৰকাউডত ঈশ্বৰৰ সেৱা কৰি আছে, আগতে তেওঁ বহুত দিন ধৰি যমুনা মাৰুথুৰত জনজাতিবিলাকৰ মাজত এজন মিশ্বনেৰী হিচাবে সেৱা কৰি আছিল। তেৱোঁ মোৰ লগতে একেখন হাইস্কুলত অধ্যয়ন কৰিছিল। তেওঁ মোৰ আত্মিক ভূমিকা আদৰ্শ আছিল।

তেওঁ কেৱল নামৰ বন্ধু নাছিল; তেওঁ মোক মোৰ পৰিচৰ্য্যাৰ উৎসাহ যোগাই আছিল। তেওঁ মোক মোৰ প্ৰাৰ্থনাশীল জীৱনত অনুপ্ৰাণিত কৰিছিল আৰু মোক আত্মিকভাৱে বৃদ্ধি হোৱাত সহায় কৰিছিল। প্ৰভু ঈশ্বৰে আমাক জগতৰ, মাংসৰ আৰু চয়তানৰ অপশক্তিবোৰৰ পৰা ৰক্ষা কৰি চলাই নিছিল। চিনেমা, জাগতিক আমোদ-প্ৰমোদ, বেয়া অভ্যাস আৰু ড্ৰাগছৰ দাস নহ'বলৈ ঈশ্বৰলৈ আমাক সহায় কৰিছিল। কিন্তু ঈশ্বৰে আমাক পবিত্ৰ জীৱনত বৃদ্ধি হোৱাত সহায় কৰিছিল।

সেই সময়ত, মোৰ পৰিয়াল আৰ্থিক দিশত পিছপৰা আছিল। গতিকে, যেতিয়া কলেজত পঢ়ি আছিলো মোৰ মাহী শ্ৰীযুক্তা ৰচলেট দেভাকাডাকচামে মোলৈ দুপৰীয়া আহাৰ যোগোৱাৰ দ্বাৰাই সহায় কৰিছিল। তেওঁ ওদায়াৰভিলাই নামে ঠাইত বাস কৰিছিল। তেওঁৰ সন্তানসকল, ভাই, প্ৰিন্স, ভনী, জেচমিন ফ্লৰাল, ভাই, ওৱাইত আৰু মোৰ একেবাৰে সৰু ভনী, দাউটিয়ে মোক শিশু যীচুক যত্ন লোৱাৰ দৰে যত্ন লৈছিল। ঈশ্বৰৰ প্ৰতি থকা ভয়টো তেওঁলোকৰ পৰা শিকিলো।

সেই কালছোৱাতেই, মই মোৰ হৃদয়ৰ গভীৰতাত এটা ডাঙৰ আকাংক্ষাক উন্নত কৰিবলৈ আৰম্ভ কৰিলো। মোৰ এটা শক্তিশালী ইচ্ছা আছিল যে মই এজন চেকহীন আৰু এজন উচ্চ চৰিত্ৰৰ মানুহ হ'ম। মই সদায় প্ৰভু ঈশ্বৰলৈ ভাল কৰ্ম কৰিবলৈ ইচ্ছা কৰিছিলো, যিজনে এই পৃথিৱীক কৰিছে আৰু ইয়াৰ বাবে প্ৰত্যেক বস্তু যোগাই আছে। “কিয়নো ঈশ্বৰেই নিজৰ হিত-সংকল্পৰ কাৰণে তোমালোকৰ অন্তৰত ইচ্ছা কৰা আৰু কাৰ্য্য সাধন কৰা, এই উভয়ৰ সাধনকৰ্তা হৈছে” (ফিলিপীয়া ২ঃ১৩), এই পদটিৰ মতে মই সততাৰে চলিবলৈ ইচ্ছা কৰিছো আৰু ঈশ্বৰৰ বাবে কিবা মহান লক্ষ্যত উপনীত হ'বলৈ ইচ্ছা কৰিছো। এই লক্ষ্যত উপনীত হ'বলৈ মই মোৰ জাগতিক বন্ধুসকলক আৰু সম্বন্ধীয়সকলক আনকি সম্পত্তিকো হেৰুৱাইছো। মই ইয়াৰে বহুত হেৰুৱালো।

গতিকে, মোৰ যৌৱন কালৰে পৰা, ঈশ্বৰ আৰু ঈশ্বৰ বিষয়ক বস্তুৰ বাহিৰে মোৰ ক'তো আগ্ৰহ নাই। মই জগতৰ বহুত বস্তুৰ বিষয়েও জনা নাছিলো। মোৰ কিছুমান শিক্ষক-শিক্ষয়িত্ৰীসকলে মোক মুৰ্খ ল'ৰা বুলি ভাবিছিল আৰু সেইদৰে তেওঁলোকেও মোক ব্যৱহাৰ কৰিছিল। কিন্তু “... মই নিশ্চয় কৰিছিলো যে, তোমালোকৰ মাজত আন একো নাজানিম, কেৱল যীচু খ্ৰীষ্টক, বিশেষকৈ তেওঁ ক্ৰুচত হত হোৱা জানিম।” (১ কৰিন্থীয়া ২ঃ২)। ঈশ্বৰে মোৰ জ্ঞান আৰু মনটোক তেওঁৰ বিষয়ে চিন্তা কৰিবলৈ আৰু তেওঁৰ মতে চলিবলৈ বনালে। পবিত্ৰ আত্মায়ো মোৰ পৰিস্থিতিক এটা সুযোগৰ দৰে, গণ্য কৰিবলৈ মোক সমৰ্থ কৰিলে, কিন্তু এটা দুৰ্বলৰ দৰে নহয়।



*S. Sam Selva Raj*
*(Age : 18)*

উদাহৰণস্বৰূপে, যদি মই কেনেবাকৈ অতৰ্কিতে স্কুলত বা যাত্ৰা কৰা সময়ত চিনেমা এখন চাবলগীয়া হ'ল বা এটা জাগতিক গল্প শুনিবলগীয়া হ'ল, মোৰ চকুৱে সেইবোৰক চাব পাৰে বা মোৰ কানে সেইবোৰক শুনিব পাৰে। কিন্তু মোৰ মগজুত বা হৃদয়ত একোৱেই নোসোমাব। এনে জাগতিক বস্তুবোৰলৈ মোৰ মনে কিবা ধৰণৰ প্ৰত্যাখ্যান কৰিছে বুলি মই অনুভৱ কৰিম। যি মই দেখিলো বা শুনিলো, সকলো মোৰ মনৰ পৰা গুচি যাব। মই দেখা বা শুনা বস্তুবিলাকক স্মৰণ কৰিব নোৱাৰো বা পুনৰায় ভাবিব নোৱাৰো। “...মই জ্ঞানীসকলৰ জ্ঞান নষ্ট কৰিম আৰু বুদ্ধিয়কৰ বুদ্ধি ব্যৰ্থ কৰিম।” (১ কৰিন্থীয়া ১ঃ১৯)

জাগতিক মানুহবিলাকে মোক এজন অজ্ঞ ব্যক্তি বুলি গণ্য কৰিছিল। কিন্তু মই দুখিত হোৱা নাছিলো। মোৰ মনে জানিছিল যে সৰ্বশক্তিমান ঈশ্বৰে মোক বাস কৰে, আৰু তেওঁ মোক এটা উচ্চ স্তৰলৈ আৰু এটা উচ্চ স্থানলৈ চলাই নিয়ে। জগতে কোৱা কথা এযাৰ আছে “চোৰ কৰিবলৈ শিকা আৰু পাহৰি যোৱা” এইটো মোৰ বাবে প্ৰযোজ্য নহ'ল। যদিও মই এই পৃথিৱীত আছিলো, এটা পৃথক জীৱন লৈ জীয়াই থাকিবলৈ ঈশ্বৰে মোক শিকালে।

“কিন্তু সেই গুপ্ত জ্ঞানৰ বিষয়ে এইদৰে লিখা আছে, চকুৱে যি যি নেদেখিলে, কানে যি যি নুশুনিলে আৰু মানুহৰ হৃদয়তো যি যি নোসোমাল, ঈশ্বৰে তেওঁক প্ৰেম কৰোতাবিলাকৰ নিমিত্তে যি সকলো যুগুত কৰিলে।”

কিন্তু ঈশ্বৰে আমাৰ দ্বাৰাই তাক আমাৰ আগত প্ৰকাশ কৰিলে কাৰণ আত্মাই সকলোকে, এনে কি, ঈশ্বৰৰ গভীৰ কথাকো অনুসন্ধান কৰে।

কিয়নো মানুহৰ মনৰ কথা মানুহত থকা নিজৰ আত্মাত বাজে, মানুহবিলাকৰ মাজৰ কোনে জানে? সেইদৰে ঈশ্বৰৰ কথাও ঈশ্বৰৰ আত্মাত বাজে, আন কোনেও নাজানে।

ঈশ্বৰে অনুগ্ৰহ কৰি আমাক যি যি দিলে, সেইবোৰ জানিবলৈ আমি জগতৰ আত্মা নাপাই, ঈশ্বৰৰ পৰা অহা আত্মা পালো” (১ কৰিন্থীয়া ২ঃ৯-১২)।

মোৰ পৰিস্থিতিক দেখি, “কৰ্মাচিয়েল ইন্ষ্টিটিউট, নেয়ুৰ'ৰ স্থাপক স্বৰ্গীয় শ্ৰীযুক্ত চি,



**Mr. C. Selvam**



Mr. Gilbert Roy

চেলভামে বুজি পাইছিল যে মোৰ জীৱনত ঈশ্বৰৰ এটা বিশেষ উদ্দেশ্য আছে আৰু মই কিবা মহান কাৰ্য্য কৰিবলৈ তেওঁ মোক গঢ়িবলৈ গৈ আছে। তেখেত মোৰ পিতৃৰ বন্ধু আছিল। তেখেত মোৰ আৰ্থিক অৱস্থাৰ বিষয়ে জানিছিল আৰু তেখেতে মোক ইংৰাজী আৰু তামিল ভাষাত মাষ্টৰে অফিচ এডমিনিষ্ট্ৰেশ্বন, টাইপ ৰাইটিং আৰু চৰ্ট হেণ্ড ৰাইটিং শিকাত সহায় কৰিছিল। তেখেতে প্ৰায়ে মোক কৈছিল,"এদিন তুমি ঈশ্বৰৰ এজন পৰাক্ৰমী সেৱক হ'বা আৰু এজন ভাল প্ৰশাসক হ'বা!" তাৰোপৰি তেখেতে তেওঁৰ সহায়ক শ্ৰীযুক্ত গিলবাৰ্ট ৰয়ক মোক ভালকৈ যত্ন ল'বলৈ ক'লে। শ্ৰীযুক্ত ৰয় এতিয়া কন্যাকুমাৰী খ্ৰীষ্টিয়ান ফৰাম চেন্নাইৰ সভাপতি হয়। তেওঁ মোক ঈশ্বৰৰ এগৰাকী উৎসৰ্গিত আৰু বৃদ্ধা মহিলা ইমিয়াম্মা চানিয়াচিনি আম্মালৰ অধীনত যত্ন গতাই দিলে।

"একে ডৰা মাটিৰে সমাদাৰলৈ এটা, অনাদাৰলৈ এটা, এনে দুবিধ পাত্ৰ বনাবলৈ, মাটিৰ ওপৰত কুমাৰৰ ক্ষমতা নাইনে? (ৰোমীয়া ৯ঃ২১)। এই বাইবেল পদৰ মতে ঈশ্বৰে মোক গঢ়িবলৈ আৰম্ভ কৰিলে। ❖❖❖

*(৭ পৃষ্ঠাৰ পৰা)*

আৰু এইদৰে কোৱা শুনা যায় যে ইয়াক সৌঁহাতত বা কপালত লগোৱা হ'ব খ্ৰীষ্টাৰি প্ৰতিনিধিবিলাকে এই চিপটোক লগাবলৈ তেওঁবিলাকৰ উপযুক্ত সময়ৰ বাবে সপেক্ষা কৰি আছে

এতিয়া এইবোৰক সাত বছৰৰ ক্লেশৰ কালৰ বাবে ৰাখি থোৱা আছে। ষষ্ঠ ছাব মেলাৰ সময় স্থান লৈছে আৰু ইয়াৰ প্ৰভাৱো অনুভৱ হৈছে। ডাঙৰ তাড়না এতিয়াও আহিবলৈ আছে। ঈশ্বৰৰ এজন দাসে ধ্বংস আৰু ইয়াৰ ছবিৰ উদাহৰণৰ ওপৰত ৰচিত এটি গীত তলত দিয়া হৈছেঃ

১। স্বৰ্গত ঈশ্বৰৰ বাহিনীবিলাকে হাজাৰ হাজাৰ সংখ্যাৰ আৱিৰ্ভাৰ হৈ গুহাৰ ফালে দৌৰিছে, তৰাবোৰে স্থান সলাইছে আৰু পৃথিৱীৰ প্ৰত্যেক ঠাইত পৰিছে। কিন্তু মই মোৰ প্ৰিয়জনাৰ লগতে গীত গাই গাই মাৰিছো হাল্লিলূয়া হাল্লিলূয়া (৮ বাৰ)

২। পাঁচটা প্ৰান্তৰ আটাই মহাদেশসমূহ শেষ হৈ যাব, অন্ধকাৰে ঢাকিছে, বজ্ৰপাত হৈছে, তাত ক্ৰন্দন আৰু চকুলো হ'ব কিন্তু সাক্ষ্যৰ গীত সাধুবিলাকে গাই থকা শুনা যাব।

৩। সাগৰে গুজৰিছে, সীমা ভাঙিছে, জাহাজ ডুবিছে, মহা ধ্বংস হৈছে, যান-বাহনৰ অচল অৱস্থা হৈছে আৰু পৃথিৱী নাথাকিব কেতিয়াও ব্যৰ্থ নোহোৱা কেনে যে ঈশ্বৰৰ বাক্য।

— জে, ইমিল জেবা চিং

## প্ৰভুৰ দিন

২০০০ বছৰৰ আগেয়ে প্ৰভু যীচু খ্ৰীষ্টই ন্যায়, পৰিত্ৰাণযুক্ত, নম্ৰ; তেওঁ গাধত উঠি এই পৃথিৱীলৈ আহিছিল (জখৰীয়া ৯ঃ৯)। কিন্তু তেওঁৰ মুকলি দ্বিতীয় আগমনৰ সময়ত তেওঁ তেওঁৰ সাধুবিলাকৰ সৈতে জৈতুন পৰ্বতৰ ওপৰত নামিব (জখৰীয়া ১৪ঃ৪)। সেই দিনটো ক্ৰোধৰ দিন হ'ব, ভয় আৰু ত্ৰাসৰ দিন হ'ব।

সেইদিন ক্ৰোধৰ দিন, সংকট আৰু ক্লেশৰ দিন, উচ্ছন্ন আৰু ধ্বংসৰ দিন, আন্ধাৰ আৰু ঘোৰ আন্ধাৰৰ দিন, ডাৱৰীয়া আৰু ঘন মেঘৰ দিন।

ক্ৰোধৰ দিনা সিঁহতৰ ৰূপ বা সোণে সিঁহতক উদ্ধাৰ কৰিব নোৱাৰিব। (চফনিয়া ১ঃ১৫, ১৮)।

"চোৰা তেওঁ মেঘেৰে আহিছে, আটাই চকুৰে, আৰু যিবিলাকে তেওঁক বিন্ধিলে; তেওঁবিলাকেও তেওঁক দেখিব আৰু পৃথিৱীৰ সকলো ফৈদে তেওঁৰ কাৰণে হিয়া ভুকুৱাব। হয়, আমেন (প্ৰকাশিত বাক্য ১ঃ৭)।

আমাৰ প্ৰভু যীচুখ্ৰীষ্টই খ্ৰীষ্টাৰিৰ সাত বছৰ অপশাসনৰ পাছতেই জৈতুন পৰ্বতত নামিব। যীচুৰ প্ৰথম আগমনৰ সময়ত তেওঁ নম্ৰ হৈ ত্ৰাণকৰ্তাৰ দৰে জগতলৈ আহিছিল, কিন্তু তেওঁৰ দ্বিতীয় আগমনৰ সময়ত তেওঁ ৰজাৰো ৰজা আৰু ধাৰ্মিক বিচাৰকৰ দৰে আহিব। এতিয়া তেওঁ স্বৰ্গীয় সৈন্যবিলাকে সৈতে বগা ঘোঁৰাবোৰৰ ওপৰত উঠি আহিব (প্ৰকাশিত বাক্য ১৯ঃ১১-১৪)।

"যিহোৱাৰ সাক্ষাতেই কৰিব, কিয়নো তেওঁ আহিছে, তেওঁ পৃথিৱীৰ বিচাৰ কৰিবলৈ আহিছে। তেওঁ ধাৰ্মিকতাৰে জগতখনৰ আৰু নিজ বিশ্বস্ততাৰে জাতিবিলাকৰ বিচাৰ কৰিব। (গীতমালা ৯৬ঃ১৩)

ধাৰ্মিকবিলাকক তুলি নিয়াৰ লগতে অনুগ্ৰহৰ সময়ৰ অন্ত পৰিব আৰু মানুহবিলাকৰ কৰ্মৰ অনুযায়ী তেওঁবিলাকক বিচাৰ কৰিব! তেওঁবিলাকক কোনো ধৰণৰ দয়া কৰা নহ'ব। যদি এজন ব্যক্তিয়ে ৰক্ষা পাব বিচাৰে, তেন্তে তেওঁ নোৱাৰে কিয়নো তেওঁৰ অনুগ্ৰহৰ সময় শেষ হ'ব। তথাপি যদি তেওঁ ঈশ্বৰৰ ৰাজ্যত প্ৰৱেশ কৰিব বিচাৰে, তেন্তে তেওঁ মহাক্লেশৰ সময়ত শ্বহীদ হৈ মৰিব লাগিব।

এতিয়াৰে পৰা ধাৰ্মিকলোকক তুলি নিয়া কাৰ্যটো যিকোনো মুহূৰ্তত হ'ব পাৰে। গতিকে পৰিত্ৰাণৰ বাবে এতিয়াই সঠিক সময়।

পৰিত্ৰাণটো ঈশ্বৰৰ এটা আটাইতকৈ ডাঙৰ উপহাৰ (ৰোমীয়া ৬ঃ২৩) আৰু পৰিত্ৰাণ হৈছে ব্যক্তিগত। প্ৰত্যেকজনে পৰিত্ৰাণ গ্ৰহণ কৰিব লাগে। আজি পৰিত্ৰাণ বিনামূল্যত মেৰৰ তেজৰ যোগেদি আপোনালৈ আহিব। জগতে জীৱন আৰু মৃত্যু দিয়ে। মৃত্যুক অস্বীকাৰ কৰক আৰু জীৱনক গ্ৰহণ কৰক। ইয়াৰে আপুনি যীচুলৈ চাব লাগিব। পাপ স্বীকাৰ কৰক আৰু মন পালটন কৰক। প্ৰভু যীচু খ্ৰীষ্টই তেওঁৰ চেকাহীন তেজৰ দ্বাৰাই আপোনাৰ পাপ ধুই নিয়াত বিশ্বাসী। বাইবেলত লিখা আছে, তেওঁৰ পুত্ৰ যীচু খ্ৰীষ্টৰ তেজে আমাৰ আটাই পাপবোৰৰ পৰা আমাক পৰিস্কাৰ কৰে (যোহন ১ঃ৭)। যদি আপুনি তেনে কৰে, বিচাৰৰ দিনত ঈশ্বৰৰ ক্ৰোধৰ পৰা আপুনি ৰক্ষা পাব পাৰিব। কিয়নো সকলো অধাৰ্মিক, দুষ্ট আৰু বিদ্ৰোহ আচৰণ কৰা লোকবিলাকে তেওঁৰ আগত থিয় হ'ব লাগিব আৰু নিজ কৰ্মৰ হিচাপ দিব লাগিব। সময় এতিয়াও আছে! আজিয়েই কাৰ্য আৰম্ভ কৰক!

জগতখনক খ্ৰীষ্টাৰিৰ উপস্থিতিৰ বাবে ঠিক কৰি ৰখা হৈছে। তাৰ সাত বছৰ ৰাজত্বৰ অন্ত পৰাৰ পাছত. প্ৰভু যীচু খ্ৰীষ্টই এজন ৰজা আৰু ধাৰ্মিক বিচাৰকৰ দৰে আহিব আৰু খ্ৰীষ্টাৰি আৰু তাৰ মানুহবিলাকৰ লগত যুদ্ধ কৰিব। খ্ৰীষ্টাৰিৰ পাছত চয়তান আৰু কাৰ্যত শক্তি দেখুৱাব। প্ৰভুৱে তেওঁৰ লোকসমূহৰ সৈতে হৰমাগিদোলত খ্ৰীষ্টাৰি আৰু তাৰ মানুহবিলাকক লগ পাব। যিহুদা আৰু ইস্ৰায়েলৰ লোকসমূহে যীচুৰ পক্ষত থিয় দিব (জখৰিয়া ৯ঃ১৩)। এই যুদ্ধ এদিনৰ বাবে হ'ব পাৰে! খ্ৰীষ্টাৰি আৰু মিছা ভাববাদী যুদ্ধত পৰাজয় হ'ব আৰু বন্দী হ'ব আৰু সিহঁতক অগ্নিকুণ্ডত পেলোৱা হ'ব। চয়তানক ধৰা হ'ব আৰু এহেজাৰ বছৰ বান্ধি অগাদ ঠাইত পেলোৱা হ'ব (প্ৰকাশিত বাক্য ২০ঃ১২)।

প্ৰভু যীচু খ্ৰীষ্টৰ আগমন অনিবাৰ্য! তুলি নিয়াৰ সময়ত যাবলৈ যুগুত হৈ থাকক!

ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক!

❖❖❖❖❖

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/21-23 WPP.No.TN/PMG(CCR)/WPP-262/21-23

## তেওঁৰ আহবানৰ প্ৰতিধ্বনি ইউ টিউব

যেতিয়া আপুনি সময় পাব দয়া কৰি আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ ইউ টিউব চেনেলটোক চাব আৰু চাবচ্ক্ৰাইব কৰিব। ধন্যবাদ।

— সম্পাদক

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**

*****

**E.mail : sam@echoofhiscall.org**

## তেওঁৰ আহবানৰ প্ৰতিধ্বনি

**১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি**

বাৰ্ষিক বৰঙণি ১০০/- টকা   জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.


## ECHO OF HIS CALL

10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com


**YOU CAN SEND YOUR DONATION ONLINE ALSO**


**Regd. with the RNI under No. TNASS/2000/2335**
**Licenced to post without pre-payment**
**Postal Regn. No. TN/CH (C) /204/21-23**
**Licence No. WPP. No. TN/PMG(CCR)/WPP-262/21-23**
**Date of Publication: Second week of every month**
**Date of Posting : 11th & 12th of every month**
**Posted at "Egmore RMS / 1 Patrika Channel"**
**on 12th** MAY, 2022
**If un-delivered please return to:**
**ECHO OF HIS CALL (ASSAMESE)**
**P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.**
**Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766**


*JESUS LOVES YOU!*

**To**

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No. 18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by him at **Echo of His Call Printers**, New No. 8 & 10, Old No. 18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**